**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 01-03-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN
**HEADLINES**
**::::::::::::::::::::::::::::::::::::::::::::**

১। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে আমেৰিকা-ইজৰাইলৰ যুটীয়া বিমান আক্ৰমণত ইৰানৰ সৰ্বোচ্চ নেতা আয়তোল্লাহ আলী খামেনেইৰ মৃত্যু হোৱা বুলি দাবী কৰিছে।

২। ইজলাইস্থিত ভাৰতীয় দূতাবাসে অস্থায়ীভাৱে দেশখনত থকা ভাৰতীয় নাগৰিকসকলক ইতিপূৰ্বে জাৰি কৰা পৰামৰ্শৱলী মানি চলিবলৈ আহ্বান জনাইছে।

৩। এয়াৰ ইণ্ডিয়াই পশ্চিম এছিয়াৰ বৰ্তমানৰ পৰিস্থিতিৰ প্ৰতি লক্ষ্য অঞ্চলটোৰ সকলো স্থানলৈ আজি নিশা ১১ বাজি ৫৯ মনিটলৈ বিমান সেৱা বাতিল কৰিছে।

৪। বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ড০ এছ্ জয়শংকৰে কালি নতুন দিল্লীত ভাৰত ইউৰোপীয় সংঘৰ সম্বন্ধৰ প্ৰথম পৰামৰ্শ সমিতিৰ বৈঠকত অংশগ্ৰহণ কৰে।

*আৰু*

৫। আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি ভাৰত ছুপাৰ এইট পৰ্যায়ৰ নিজৰ অন্তিমখন খেলত ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে আমেৰিকা-ইজৰাইলৰ যুটীয়া বিমান আক্ৰমণত ইৰানৰ সৰ্বোচ্চ নেতা আয়তোল্লাহ আলী খামেনেইৰ মৃত্যু হোৱা বুলি দাবী কৰিছে। শ্ৰী ট্ৰাম্পে সমাজিক মাধ্যমযোগে কয়, যে খামেনেইৰ মৃত্যু ইৰানৰ জনসাধাৰণৰ বাবে দেশখন ঘূৰাই লোৱাৰ উত্তম সুযোগ। প্ৰাপ্ত বাতৰি অনুসৰি আমেৰিকা আৰু ইজৰাইলে ইৰানৰ সামৰিক আৰু চৰকাৰী স্থানসমূহক লক্ষ্য কৰি চলোৱা বিমান আক্ৰমণত খামেনেইৰ মৃত্যু হয়।

০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইজৰাইলৰ সমন্বিত ইৰান আক্ৰমণৰ ফলত মধ্য এচিয়াত উত্তেজনা বৃদ্ধি পাইছে। আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে সামাজিক মাধ্যমত পোষ্ট কৰা এটা ভিডিঅ' বাৰ্তাযোগে ৱাশ্বিংটনে ইৰানত সামৰিক অভিযান আৰম্ভ কৰাৰ কথা নিশ্চিত কৰিছে। ৰাষ্ট্ৰপতি ট্ৰাম্পে কয়, যে বৰ্তমান ইৰানে আমেৰিকা তথা ইয়াৰ মূল ৰাষ্ট্ৰীয় নিৰাপত্তাৰ স্বাৰ্থত কৰা আঘাত প্ৰতিহত কৰাৰ বাবে আমেৰিকাৰ সেনাই বৰ্তমান চলি থকা সামৰিক অভিযানৰ নেতৃত্ব দিছে।

ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে কয়, যে ইৰানীয়ান শাসনৰ ভাবুকিৰ পৰা আমেৰিকাৰ জনসাধাৰণক সুৰক্ষিত কৰি ৰখাই হৈছে এই সামৰিক অভিযানৰ মূল লক্ষ্য। তেওঁ কয়, যে ইৰানৰ ভাবুকিপূৰ্ণ কাৰ্যকলাপে আমেৰিকা, ইয়াৰ সৈন্য বাহিনী, বহিঃৰাজ্যৰ ঘাটি তথা বিশ্বৰ মিত্ৰ দেশসমূহৰ প্ৰতি বিপদ কঢ়িয়াই আনিছে।

ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতানেহ্যুৱে কয়, যে ইজৰাইল আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ ইৰানৰ বিৰুদ্ধে **লাইনছ্ ৰ'ৱাৰ** নামৰ এই যুটীয়া সামৰিক অভিযান চলাইছে। সামাজিক মাধ্যমত এটা ভিডিঅ' বাৰ্তাযোগে

প্ৰধানমন্ত্ৰী নেতানেহ্যুৱে নিজৰ দেশৰ জনসাধাৰণক উদ্দেশ্যি কয়, যে ইৰানী শাসনে সৃষ্টি কৰা ভাবুকি প্ৰতিহত কৰিবলৈ ইৰানৰ প্ৰতি সামৰিক অভিযান চলোৱাটো প্ৰয়োজনীয় হৈ পৰিছে।

০০০০

এয়াৰ ইণ্ডিয়াই পশ্চিম এছিয়াৰ বৰ্তমানৰ পৰিস্থিতিৰ প্ৰতি লক্ষ্য অঞ্চলটোৰ সকলো স্থানলৈ আজি নিশা ১১ বাজি ৫৯ মনিটলৈ বিমান সেৱা বাতিল কৰিছে। এয়াৰ ইণ্ডিয়াই প্ৰকাশ কৰা মতে প্ৰতিষ্ঠানটোৱে শেহতীয়া ঘটনাৱলীক সূক্ষ্মভাৱে নিৰীক্ষণ কৰি আছে আৰু সংশ্লিষ্ট কৰ্তৃপক্ষৰ সৈতে অহৰহ যোগাযোগ ৰক্ষা কৰি আছে। যাত্ৰী, চালক দলৰ সদস্য আৰু বিমানৰ সুৰক্ষা সৰ্বাধিক অগ্ৰাধিকাৰৰ বিষয় আৰু পৰিস্থিতিৰ মূল্যায়ন কৰি বিমান উৰণ সন্দৰ্ভত সঠিক সিদ্ধান্ত গ্ৰহণ কৰা হ'ব বুলি এয়াৰ ইণ্ডিয়াই প্ৰকাশ কৰিছে। প্ৰতিষ্ঠানটোৱে জানিবলৈ দিয়া মতে প্ৰভাবিত যাত্ৰীসকলক উৰণ সেৱা বাতিল সন্দৰ্ভত জনোৱা হৈছে আৰু পুনৰ টিকট বুকিং তথা বুকিঙৰ ধন ঘূৰাই দিয়াকৈ ধৰি সকলো ক্ষেত্ৰতে যাত্ৰীসকলক প্ৰয়োজনীয় সহায় আগবঢ়োৱা হৈছে। যাত্ৰীসকলে অধিক তথ্যৰ বাবে ১১৬৯-৩২৯৩৩৩ আৰু ১১৬৯-৩২৯৯৯৯ নম্বৰত যোগাযোগ কৰিব পাৰিব অথবা প্ৰতিষ্ঠানটোৰ ৱেবচাইট চাব পাৰিব। এয়াৰ ইণ্ডিয়াই প্ৰকাশ কৰা মতে প্ৰতিষ্ঠানটোৰ মূল্যায়ণৰ ভিত্তিত আজি ২৮ খন আন্তঃৰাষ্ট্ৰীয় বিমানৰ সেৱা বাতৰি কৰা হৈছে।

০০০০

ইজৰাইস্থিত ভাৰতীয় দূতাবাসে অস্থায়ীভাৱে দেশখনত থকা ভাৰতীয় নাগৰিকসকলক ইতিপূৰ্বে জাৰি কৰা পৰামৰ্শৱলী মানি চলিবলৈ আৰু সময়মতে সাহায্য আৰু যোগাযোগ সুনিশ্চিত কৰাৰ উদ্দেশ্যে দূতবাসৰ ৱেবচাইটত নাম পঞ্জীয়ন কৰিবলৈ আহ্বান জনাইছে। দূতাবাস কৰ্তৃপক্ষই পৰ্যটক, ব্যৱসায়িক পৰ্যটক আৰু সংবাদকৰ্মীসহ ইজৰাইলত বাস কৰা ভাৰতীয় মূলৰ লোকসকলৰ সৈতে অহৰহ যোগাযোগ বৰ্তাই ৰখা বুলি সামাজিক মাধ্যমযোগে জানিবলৈ দিছে।

০০০০

আন ৰিজাৰ্ভ টিকটিং ছিষ্টেম, ইউ টি এছ্ ম'বাইল এপ আজিৰে পৰা বন্ধ কৰা হ'ব বুলি ৰে'ল মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে এতিয়া ৰে'ল ৱান এপত এই সেৱা উপলব্ধ থাকিব। এই এপলৈ আৰ-ৱালেট বেলেন্স স্বয়ংক্ৰিয়ভাৱে হস্তান্তৰ হ'ব। যাত্ৰীসকলক ইউ টি এছ্ ম'বাইল এপৰ সৈতে সংযুক্ত ম'বাইল নম্বৰ ৰে'ল ৱান এপত পঞ্জীয়ন কৰিবলৈ মন্ত্ৰালয়ে আহ্বান জনাইছে।

০০০০

বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ড০ এছ জয়শংকৰে কালি নতুন দিল্লীত ভাৰত ইউৰোপীয় সংঘৰ সম্বন্ধৰ প্ৰথম পৰামৰ্শ সমিতিৰ বৈঠক ২০২৬ত অংশগ্ৰহণ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত মন্ত্ৰীগৰাকীয়ে কয়, যে বৈঠকত ভাৰত আৰু ইউৰোপীয় সংঘৰ দ্বিপাক্ষিক সম্বন্ধ সুদৃঢ় কৰাৰ বিশেষকৈ বাণিজ্য, প্ৰযুক্তি, সুৰক্ষা আৰু আহ-যাহৰ সন্দৰ্ভত আলোচনা কৰা হয়। তেওঁ ইয়াত অংশগ্ৰহণ কৰাৰ বাবে সকলোকে ধন্যবাদ জ্ঞাপন কৰে।

০০০০

আবুধাবিত থকা ভাৰতীয় দূতাবাসে সংযুক্ত আৰব আমীৰি ৰাষ্ট্ৰ চমুকৈ ইউ এ ইত থকা ভাৰতীয় নাগৰিকসকলক অপ্ৰয়োজনীয় ভ্ৰমণ পৰিহাৰ কৰিবলৈ, যথাযথ সাৱধানতা অৱলম্বন কৰিবলৈ, সজাহ হৈ থাকিবলৈ আৰু সংযুক্ত আৰব আমীৰি কৰ্তৃপক্ষ আৰু দূতাবাসে জাৰি কৰা সুৰক্ষা নিৰ্দেশনা তথা পৰামৰ্শ মানি চলিবলৈ আহ্বান জনাইছে। দূতাবাসৰ সূত্ৰই প্ৰকাশ কৰা মতে ডুবাইত থকা কনছুলেট জেনেৰেলে স্বাভাৱিকভাৱে

কাম কৰি আছে আৰু প্ৰয়োজন অনুসৰি সময়ে সময়ে শেহতীয়া তথ্য বা নিৰ্দেশনা জাৰি কৰিব। ইউ এ ইত থকা ভাৰতীয় নাগৰিকসকলে যিকোনো জৰুৰীকালীন প্ৰশ্নৰ বাবে ৮০০-৪৬৩৪২ এই টলফ্ৰী নম্বৰত ফোন কৰিবলৈ দূতাবাসৰ পৰা জনোৱাৰ হৈছে। অথবা ৯৭১৫৪-৩০৯০৫৭১ হোৱাটএপ নম্বৰতো প্ৰশ্ন সুধিব পাৰে।

মধ্য এছিয়াৰ সাম্প্ৰতিক পৰিস্থিতৰ প্ৰতি লক্ষ্য ৰাখি পেলেষ্টাইনত থকা সকলো ভাৰতীয় নাগৰিককে সজাগ হৈ থাকিবলৈ ভাৰতে পৰমৰ্শ জাৰি কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত কোৱা হৈছে যে, পেলেষ্টাইনৰ ৰামাল্লাহত থকা ভাৰতীয় প্ৰতিনিধিৰ কাৰ্যালয়ে ভাৰতীয় নাগৰিকসকলক দেশখনৰ কৰ্তৃপক্ষই প্ৰকাশ কৰা সুৰক্ষা আৰু জৰুৰীকালীন ব্যৱস্থাসমূহ মানি চলিবলৈ পৰামৰ্শ দিছে। লগতে সকলো ভাৰতীয় নাগৰিককে সাৱধানতা অৱলম্বন কৰি এপ্ৰয়োজনীয় ভ্ৰমণ নকিৰবলৈ অনুৰোধ জনায়। প্ৰতিনিধি কাৰ্যালয়ে ভাৰতীয় নাগৰিকসকলক জৰুৰীকালীন অৱস্থাত ৯৭০৫৯-২৯১৬৪১৮ নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে।

oooo

ডামাস্কাছত থকা ভাৰতীয় দূতাবাসে অঞ্চলটোৰ সাম্প্ৰতিক পৰিস্থিতিলৈ চাই চিৰিয়াত থকা সকলো ভাৰতীয় নাগৰিকক অনাৱশ্যকীয় যাত্ৰা এৰাই চলিবলৈ, সতৰ্ক হৈ থাকিবলৈ আৰু দূতাবাস তথা চিৰিয়াৰ কৰ্তৃপক্ষই সময়ে সময়ে জাৰি কৰা সুৰক্ষা নিয়মাৱলী আৰু পৰামৰ্শৱলী মানি চলিবলৈ আহ্বান জনাইছে। দূতাবাসে এটা বিবৃতি যোগে যিকোনো জৰুৰীকালীন অৱস্থাত ভাৰতীয় নাগৰিকসকলক ৯৬৩-৯৯৩৩৮৫৯৭৩ নম্বৰত যোগাযোগ কৰিবলৈ কৈছে। ইয়াৰ উপৰি দূতাবাসৰ ৱেবচাইট আৰু ই-মেইল CONS.DAMASCUS@MEA.GOV.IN যোগেও যোগাযোগ কৰিব পৰা যাব বুলি দূতাবাস কৰ্তৃপক্ষই প্ৰকাশ কৰিছে।

oooo

আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা পাল্লেকেলেত অনুষ্ঠিত ছুপাৰ এইট পৰ্যায়ৰ এখন খেলত পাকিস্তানে শ্ৰীলংকাক পাঁচ ৰানত পৰাস্ত কৰে। খেলখনত পাকিস্তানে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি শ্বাহিবজাদা ফাৰহান আৰু ফখৰ জামানৰ সুন্দৰ প্ৰদৰ্শনৰ বলত নিৰ্ধাৰিত ২০ অভাৰত ৮ টা উইকেট হেৰুৱাই ২১২ ৰান কৰে। প্ৰত্যুত্তৰত শ্ৰীলংকাই নিৰ্ধাৰিত ২০ অভাৰত ছটা উইকেটৰ বিনিময়ত ২০৭ ৰানহে কৰিবলৈ সমৰ্থ হয়। শ্ৰীলংকাৰ হৈ অধিনায়ক ডাছুন ছানাকাই ৭৬ ৰান কৰি আউট নোহোৱাকৈ থাকে।

খেলখনত জয়লাভ কৰা সত্বেও পাকিস্তান প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে। পাকিস্তান আৰু নিউজিলেণ্ড দুয়োটা দলে তিনি পইণ্টকৈ লাভ কৰিছে যদিও নিউজিলেণ্ডে গড় ৰানৰেটৰ ভিত্তিত গ্ৰুপ-টুৰ পৰা ছেমিফাইনেলত প্ৰৱেশ কৰিছে। শ্ৰীলংকা ইতিপূৰ্বে ছেমিফাইনেলৰ দৌৰৰ পৰা বাহিৰ হৈছে। ইংলেণ্ডে ছুপাৰ এইট পৰ্যায়ৰ তিনিওখন খেলত জয়লাভ কৰি ইতিমধ্যে চেমিফাইনেলত স্থান নিশ্চিত কৰিছে।

ভাৰত আজি কলকাতাৰ ইডেন গাৰ্ডেনছত হ'বলগীয়া ছুপাৰ এইট পৰ্যায়ৰ নিজৰ অন্তিমখন খেলত ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া সাত বজাত আৰম্ভ হ'ব। ভাৰতে চেমিফাইনেলত প্ৰৱেশ কৰিবলৈ হ'লে এই খেলখনত জয়লাভ কৰিবই লাগিব। ইপিনে দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত হ'বলগীয়া ছুপাৰ এইট পৰ্যায়ৰ আন এখন খেলত আজি দক্ষিণ আফ্ৰিকা জিম্বাব'ৱেৰ সন্মুখীন হ'ব। খেলখন বিয়লি তিনি বজাত আৰম্ভ হ'ব। প্ৰতিযোগিতাৰ চেমিফাইনেল খেল দুখন ৪ আৰু ৫ মাৰ্চত আৰু ফাইনেল খেলখন ৮ মাৰ্চত অনুষ্ঠিত হ'ব।

oooo

ঃঃ সমাপ্ত ঃঃ